নং ঃ ১৭৮/২০২১

# ডাঃ মোহন ভাগৱতৰ দ্বাৰা উন্মোচন কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, ২১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সৰসংঘচালক ডাঃ মোহন ভাগৱতে অধ্যাপক ননীগোপাল মহন্তই ৰচনা কৰা 'চিটিজেনশ্বিপ ডিবেট অভাৰ এন আৰ চি এণ্ড কা, আসাম এণ্ড পলিটিক্স অব হিষ্ট্ৰী' শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই গ্ৰন্থখন ছেজ্ পাব্লিকেশ্যন ইণ্ডিয়া প্ৰাইভেট লিমিটেডে প্ৰকাশ কৰিছে।

গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতবৰ্ষ হ'ল পৃথিৱীৰ এক সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ। ভাৰতীয় গণতন্ত্ৰৰ এক সুকীয়া পৰম্পৰা আছে আৰু ইয়াত প্ৰত্যেকে বিকল্প চিন্তা-চৰ্চা কৰাৰ সুবিধা লাভ কৰে। এই প্ৰেক্ষাপটত অধ্যাপক ননীগোপাল মহন্তই এই গ্ৰন্থখন লিখি উলিয়াইছে। গ্ৰন্থখন গৱেষণালব্ধ চিন্তা-চৰ্চাৰ ফচল হোৱাৰ লগতে গ্ৰন্থখনে আমাৰ চিন্তা শক্তিক আকৰ্ষিত কৰিব পৰা সমলেৰে সমৃদ্ধ বুলিও তেওঁ কয়।

গ্ৰন্থখন লিখাৰ বাবে গ্ৰন্থ প্ৰণেতা অধ্যাপক ননীগোপাল মহন্তক শুভেচ্ছা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গ্ৰন্থখন তথ্য সমৃদ্ধ আৰু এই গ্ৰন্থখনে নাগৰিকত্ব সংশোধনী আইনৰ এক বিশ্লেষণাত্মক দৃষ্টিভংগী দাঙি ধৰাৰ উপৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সন্দৰ্ভতো বিশ্লেষাণাত্মক দৃষ্টিভংগী দাঙি ধৰিছে। গ্ৰন্থখন উন্মোচন কৰাৰ বাবে ডাঃ মোহন ভাগৱতৰ দৰে এগৰাকী সন্মানীয় ব্যক্তি গুৱাহাটীত আহি উপস্থিত হোৱাটো এক গৌৰৱৰ বিষয় বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

এনে এখন তথ্য সমৃদ্ধ গ্ৰন্থ পাঠকক উপহাৰ দিয়াৰ বাবে গ্ৰন্থ উন্মোচক ডাঃ মোহন ভাগৱতে অধ্যাপক ননীগোপাল মহন্তক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি কয় যে গ্ৰন্থখনে এক বিশেষ তাৎপৰ্য বহন কৰিছে আৰু গ্ৰন্থখন লিখোতে গ্ৰন্থ প্ৰণেতাগৰাকীয়ে যথেষ্ট কষ্ট স্বীকাৰ কৰি বিভিন্ন তথ্য আলোকপাত কৰিবলৈ সক্ষম হৈছে। গ্ৰন্থ প্ৰণেতাগৰাকীয়ে বিভিন্ন তথ্যৰ লগতে তথ্যসমূহ বিশ্লেষণাত্মক দৃষ্টিভংগীৰে দাঙি ধৰাৰ বাবে পাঠক সমাজত গ্ৰন্থখন সমাদৃত হ'ব বুলিও তেওঁ কয়।

ভাৰতবৰ্ষক এক বিশেষ ঐতিহ্যৰ দেশ বুলি উল্লেখ কৰি এই দেশত বিভিন্ন শ্ৰেণীৰ জনসাধাৰণে শান্তি-সম্প্ৰীতিৰে বসবাস কৰি সমন্বয়ৰ এক বিৰল প্ৰতিচ্ছবি দাঙি ধৰি আহিবলৈ

সক্ষম হৈছে বুলিও ডাঃ মোহন ভাগৱতে কয়। দেশ বিভাজনে ভাৰতবৰ্ষক দ্বিখণ্ডিত কৰিলেও ভাৰতবৰ্ষই সমস্যাৰ সৃষ্টি হ'লে সকলোৰে প্ৰতি অনুকম্পামূলক আচৰণ প্ৰদৰ্শন কৰি আহিছে বুলিও তেওঁ কয়। ধৰ্ম নিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্ৰ ভাৰতীয় পৰম্পৰাৰ সৈতে সংপৃক্ত বুলি উল্লেখ কৰি তেওঁ কয় যে এই ধাৰণা সমূহ ভাৰতবৰ্ষই সমগ্ৰ বিশ্বতে সিঁচি দিবলৈ সক্ষম হৈছে। নাগৰিকত্ব সংশোধনী আইন আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সৈতে হিন্দু অথবা মুছলমানৰ মাজত বিভাজন তথা সাম্প্ৰদায়িকতা কোনোপধ্যে জড়িত নহয় বুলিও তেওঁ কয়। এই গ্ৰন্থখনৰ জৰিয়তে সমাজৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণে নাগৰিকত্ব সংশোধনী আইন আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বিভিন্ন দিশ ভালদৰে জুকিয়াই চোৱাৰ সুযোগ লাভ কৰিব বুলিও তেওঁ কয়।

অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক প্ৰতাপজ্যোতি সন্দিকৈয়েও বক্তব্য আগবঢ়ায়। আৰম্ভণিতে গ্ৰন্থখনৰ লিখক অধ্যাপক ননীগোপাল মহন্তই গ্ৰন্থখনৰ সবিশেষ আলোকপাতেৰে বক্তব্য আগবঢ়ায়।

অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কেইবাগৰাকীও মন্ত্ৰী, বিধায়কৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২১/০৭/২০২১**